**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-OCT-2025
**Time :** 0755  Hrs

***Assamese Morning Bulletin***

—————————————————

নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ এটা গোটে শুক্ৰবাৰৰ নিশা তিনিচুকীয়া জিলাৰ কাকপথাৰৰ এক নম্বৰ চেলেংগুৰীত থকা সেনা চাউনীত আক্ৰমণৰ ফলত তিনিজন সেনাবাহিনীৰ জোৱান আহত হয়। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে সেইদিনা নিশা প্ৰায় ১২ বাজি ৪০ মিনিটত আলফা স্বাধীনৰ কেইজনমান সদস্যই এখন ট্ৰাকত আহি নাইনটিন গ্ৰেনেডিয়াৰছ ৰেজিমেণ্টৰ সেনা চাউনীলৈ লক্ষ্য কৰি নিৰ্বিচাৰ গুলীবৰ্ষণ কৰে। প্ৰত্যুত্তৰত সেনায়ো চাৰিটা ৰকেট প্ৰপেলড গ্ৰেনেডেৰে আক্ৰমণ কৰে। প্ৰায় আধাঘণ্টা ধৰি চলা সেনা আৰু আলফাৰ মাজৰ  সংঘৰ্ষই কাকপথাৰবাসীৰ মাজত আতংকৰ সৃষ্টি কৰে। এগৰাকী প্ৰতিৰক্ষা মুখপাত্ৰই প্ৰকাশ কৰা মতে দুয়োপক্ষৰ মাজত ধাৰাযাৰ গুলীবৰ্ষণৰ পাছত আলফা স্বাধীনৰ দলটো পলায়ন কৰিবলৈ সমৰ্থ হয়। কৰ্তব্যৰত সেনা জোৱানসকলে অঞ্চলটোৰ জনসাধাৰণৰ যাতে কোনো ধৰণৰ ক্ষতি নহয় তাৰ বাবে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰে বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে আলফা স্বাধীনে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰি প্ৰকাশ কৰা এটা বিবৃতিত কয়, যে এয়া আছিল সংযুক্ত মুক্তিবাহিনী অসমৰ সেনানীসকলৰ **প্ৰতিশোধ অভিযান**ৰ জৰিয়তে  ঔপনিৱেশিক ভাৰতীয় দখলদাৰী বাহিনীৰ বিৰুদ্ধে আক্ৰমণ। এই ঘটনাৰ পাছতে তিনিচুকীয়া জিলাত সুৰক্ষা বাহিনীয়ে বিশেষ সতৰ্কতা জাৰি কৰাৰ লগতে জিলাখনত উগ্ৰপন্থী কাৰ্যকলাপ বিৰোধী অভিযান তীব্ৰতৰ কৰি তুলিছে। আলফা স্বাধীনে সেনা শিবিৰ আক্ৰমনত ব্যৱহাৰ কৰা ট্ৰাকখন কালি পুৱা অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী টেঙাপানীৰ ন-দিহিং নদীৰ পাৰত উদ্ধাৰ কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আলফা স্বাধীনৰ আক্ৰমণ সন্দৰ্ভত  কয়, যে ম্যানমাৰৰ পৰা নিয়ন্ত্ৰিত আলফা স্বাধীন আৰু অন্যান্য গোটে সমন্বিতভাৱে এনে ধৰণৰ আক্ৰমণ চলোৱাৰ চেষ্টা কৰিছে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০০০

আজি কাতি বিহু। আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি কৃষকসকলে শস্য শ্যামলা পথাৰৰ আশাৰে প্ৰাৰ্থনা জনায়। এই কাতি বিহু হৈছে অসমৰ জাতীয় উৎসৱ তিনি বিহুৰ অন্যতম। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে তুলসী তলৰ বন্তিগছিয়ে সকলোলৈকে সুখ সমৃদ্ধি কঢ়িয়াই আনক। কৃষকৰ আশাৰ ধাননিডৰা সোণগুটিৰে উপচি পৰি ঘৰে ঘৰে লখিমীৰ বসতি হওঁক।

মূলতঃ কৃষিজীৱীসকলৰ চেনেহৰ এই বিহুত পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি আৰু আকাশবন্তি জ্বলাই সেৱা জনোৱা হয়।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাতি বিহু পালনৰ প্ৰস্তুতি চলিছে। কাতি বিহু উপলক্ষে গধূলি তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে ভঁৰালঘৰ, গোহালি, পদূলি আদিত চাকি বন্তি জ্বলাই কৃষিজীৱী ৰাইজে মংগল কামনা কৰিব।

কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ প্ৰতিটো কৃষি মহকুমাত কাতি বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি বিভাগৰ উদ্যোগত প্ৰগতিশীল কৃষকক সম্বৰ্ধনা, আকাশবন্তি প্ৰজ্বলন, সজাগতা সভা তথা বিভাগীয় আঁচনি সন্দৰ্ভত আলোচনা আৰু কৃষি সামগ্ৰী/কৃষি সঁজুলি আদিও বিতৰণ কৰা হ'ব।

০০০০০০

ডিব্ৰুগড়ৰ হনুমান বক্স সুৰযমল কানৈ মহাবিদ্যালয়ৰ এণ্টি ৰেগিং কোষে মহাবিদ্যালয়খন ৰেগিংমুক্ত কৰি ৰখাৰ বাবে প্ৰতি বছৰৰ দৰে কালিও সজাগতা সভা অনুষ্ঠিত কৰে। এই সভাত শ্ল'গান, প'ষ্টাৰ অংকন প্ৰতিযোগিতা আৰু বাটৰ নাট প্ৰদৰ্শন কৰা হয়। শ্ল'গান আৰু প'ষ্টাৰ অংকন প্ৰতিযোগিতাৰ বঁটাসমূহ কালি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই প্ৰদান কৰে। বঁটা প্ৰদান অনুষ্ঠানত কেইবাগৰাকীও অতিথিৰ লগতে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণৰ কল্যাণপুৰত স্থানীয় ৰাইজে ড্ৰাগছসহ এজন যুৱকক কৰায়ত্ত কৰে। ধৃত যুৱকজন জিলাখনৰ লেঙেৰীৰ টকৌৱনি বৰপথাৰৰ মনোজ গগৈ বুলি জানিব পৰা গৈছে। চুতীয়া যুৱ পৰিষদ, অসমৰ মৰাণ আঞ্চলিকৰ উদ্যোগত চলি থকা ড্ৰাগছ বিৰোধী অভিযানত ধৰা পৰা এই যুৱকজনক সংগঠনটোৰ সদস্য তথা ৰাইজে আৰক্ষীক গতাই দিয়ে। আৰক্ষীয়ে এই সন্দৰ্ভত তদন্ত চলাই থকা বুলি আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জানিবলৈ দিয়ে।

০০০০০০

অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে দীপাৱলী উপলক্ষে ২১ অক্টোবৰত ডিব্ৰুগড় জিলাত স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে। একেদৰে কামৰূপ মহানগৰ আৰু বজালী জিলাতো ২১ অক্টোবৰত দীপাৱলীৰ বাবে স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে।

০০০০০০

সমাপ্ত